3 (Sem–1) ASM M 2

# 2 0 1 2

Bijni College Library
P.O.-Bijni, Dist.-Chirang
(B.T.A.D) Assam

## ASSAMESE

( Major )

Paper : 1.2

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। পোনপটীয়াকৈ উত্তৰ দিয়া : ১×১০=১০

(ক) শঙ্কৰদেৱে সংস্কৃত ভাষাত ৰচনা কৰা এখন কাব্যৰ নাম লিখা।

(খ) 'বভ্ৰুবাহনৰ যুদ্ধ' কাব্যখনি কোনে ৰচনা কৰিছিল?

(গ) ৰাম সৰস্বতীৰ পিতৃ প্ৰদত্ত নাম কি?

(ঘ) অসমীয়া ভাষাৰ প্ৰাচীনতম নিদৰ্শন বুলি কোন শ্ৰেণীৰ সাহিত্যক কোৱা হয়?

(ঙ) 'নন্দোৎসৱ' কবিতাংশ কোনখন মূল পুঁথিৰ অন্তৰ্গত?

(চ) বৰগীতসমূহক 'Holy Song' বুলি কোনে আখ্যা দিছে?

(ছ) মাধৱ কন্দলিয়ে 'ৰামায়ণ'ৰ উপৰি আন কি কাব্য ৰচনা কৰিছিল বুলি অনুমান কৰা হয়?

(জ) কোনগৰাকী ৰজাক 'ৰাজা জলেশ্বৰ' বুলি কোৱা হয়?

(ঝ) 'গুৰু ভটিমা'ৰ প্ৰৱৰ্তক কোন?

(ঞ) 'কুমৰ হৰণ' কাব্যখনিৰ ৰচক কোন?

Bijni College Library
Chirang
(B.T.A.D) Assam

২। চমুকৈ উত্তৰ দিয়া : ২×৫=১০

(ক) শঙ্কৰদেৱে মাধৱ কন্দলিক 'পূৰ্বকবি অপ্ৰমাদী' বুলি অভিহিত কৰাৰ কাৰণ কি?

(খ) "পাঁচালী সাহিত্যৰ দুটা ভাগ দেখা যায়।" এই দুটা ভাগ কি কি?

(গ) 'বধকাব্য'ৰ চাৰিটা বৈশিষ্ট্য উল্লেখ কৰা।

(ঘ) হৰপ্ৰসাদ শাস্ত্ৰীয়ে নেপালৰ ৰাজ দৰবাৰৰ গ্ৰন্থালয়ৰ পৰা কোন চনত চৰ্যাপদসমূহ সংগ্ৰহ কৰি আনিছিল আৰু কোন চনত 'হাজাৰ বছৰেৰ পুৰান বাঙ্গালা ভাষায় বৌদ্ধগান ও দোহা' নামেৰে প্ৰকাশ কৰিছিল?

(ঙ) সপ্তকাণ্ড ৰামায়ণৰ পাঁচটা কাণ্ডহে মাধৱ কন্দলিৰ নামত পোৱা যায়। বাকী দুটা অৰ্থাৎ 'আদিকাণ্ড' আৰু 'উত্তৰকাণ্ড' ৰামায়ণ কোনে ৰচনা কৰে?

৩। প্ৰসঙ্গ-সঙ্গতি দেখুৱাই ব্যাখ্যা কৰা (যি কোনো চাৰিছোৱা) : ৫×৪=২০

(ক) অনাদি স্বৰূপে জগত স্ৰজিলো
চৰাচৰ ভেদ কৰি।
সমস্তে জগত প্ৰতিপাল কৰি
আত্মাৰূপে আছো ধৰি॥

(খ) সাঞ্জি মাঞ্জি গোষ্ঠকে লিপিল গন্ধজলে।
বিচিত্ৰ পতাকা ধ্বজ ৰচিল চিৰলে॥
উৎসুকে কাছিৰে লৈল যত গোপগণ।
পিন্ধিল বিচিত্ৰ বস্ত্ৰ ভাল আভৰণ॥

(গ) নাহি আদি অন্ত যাৰ স্বৰূপ আকাৰ।
হেন দেৱ অসুৰ বধিতে অৱতাৰ॥
গোবিন্দেৰ পুত্ৰ যাক বুলি পাঞ্চশৰ।
যাৰ শৰে জগতৰ তনু জৰজৰ॥

(ঘ) দাৰুণ বিষম দুখ সহিতে নাপাৰি।
তোমাৰ নিমিত্তে কষ্ট নাই স্বৰূপত॥
ৰাজ্যৰ পৰম চিন্তা পৰিল মনত।
নগৰত নৰ-নাৰী নট-নটী ভাট॥

(ঙ) ওপৰত মেঘ যেন দেখিয় শোভন।
বাঢ়িল নিকলি যেন পৃথিৱীৰ তন॥
শিখৰ ওপৰে মন্দাকিনী শুক্ল জল।
তনক ঢাকিয়া যেন বস্ত্ৰৰ আঞ্চল॥

(চ) চলৈ উচ্চ কুচ লৰৈ কুণ্ডল কৰ্ণৰ।
বাজে ৰুণঝুন কৰি নূপুৰ পাৱৰ॥
বাহুত মলয়া শাঙ্খ গলপাতা গলে।
পিন্ধি নেত খোন্টাজালি লয় লাসে চলে॥

যি কোনো **চাৰিটা** প্ৰশ্নৰ উত্তৰ কৰিবা : ১০×৪=৪০

৪। (ক) "প্ৰত্যেকটো চৰ্যা সাঁথৰৰ দৰে; ইয়াৰ বাহ্যিক অৰ্থ অতি সহজ, কিন্তু গূঢ়াৰ্থ বা মৰ্মাৰ্থ বুজা কঠিন।" এই মন্তব্যৰ আধাৰত তোমাৰ পাঠ্যৰ অন্তৰ্গত লুইপাদৰ 'কাআ তৰুবৰ' শীৰ্ষক চৰ্যাটিৰ বিষয়ে এটি আলোচনা আগবঢ়োৱা।

*অথবা*

(খ) চৰ্যাপদত প্ৰতীক বা ৰূপকৰ কেনেদৰে প্ৰয়োগ ঘটিছে, পাঠ্যৰ অন্তৰ্গত চৰ্যাটিৰ পৰা উদাহৰণ দি আলোচনা কৰা।

৫। (ক) নিচুকনি গীত হিচাপে শ্ৰীধৰ কন্দলিৰ 'কাণখোৱা' কবিতাটিৰ বিষয়ে এটি বিশ্লেষণ আগবঢ়োৱা।

*অথবা*

(খ) 'চিত্ৰলেখাৰ পটনিৰ্মাণ' কবিতাটিত পীতাম্বৰৰ কবি-প্ৰতিভা কেনেদৰে প্ৰকাশ পাইছে, বিচাৰ কৰা।

৬। (ক) শঙ্কৰদেৱৰ 'নন্দোৎসৱ' কবিতাটিত গোপ বালকসকলে কৰা ৰং-ধেমালিৰ চিত্ৰখনি কেনেদৰে সজীৱ হৈ উঠিছে, বৰ্ণনা কৰা।

*অথবা*

(খ) মাধৱ কন্দলিৰ 'চিত্ৰকূটৰ চিত্ৰ' কবিতাটিত অসমৰ প্ৰকৃতি জগত কেনেদৰে উদ্ভাসিত হৈ উঠিছে, উদাহৰণসহ আলোচনা কৰা।

৭। (ক) দুৰ্গাবৰৰ 'মায়া অযোধ্যাৰ সৃষ্টি আৰু চিত্ৰাৱলী চতুৰ্দ্দশীৰ খেলা' কবিতাটিত ৰাম আৰু সীতাৰ মানসিক জগতখনৰ কথা কেনেদৰে প্ৰকাশ পাইছে, বিচাৰ কৰা।

*অথবা*

(খ) পাঁচালী কবিকেইগৰাকীৰ কবিতাত লৌকিক চিত্ৰ কেনেদৰে প্ৰকাশ পাইছে, বিচাৰ কৰা।

৮। (ক) প্ৰাচীন অসমীয়া কবিতাত ব্যৱহাৰ হোৱা ছন্দ আৰু অলংকাৰৰ বিষয়ে এটি আলোচনা যুগুত কৰা।

*অথবা*

(খ) শংকৰী সাহিত্য আৰু পাঁচালী সাহিত্যৰ মাজত থকা মিল আৰু অমিলবোৰৰ বিষয়ে এটি বিশ্লেষণ আগবঢ়োৱা।

★★★

# 2 0 1 2

Bijni College Library
P.O.-Bijni, Dist.-Chirang
(B.T.A.D) Assam

## BODO

## ( Major )

Paper : 1.1

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

*Answer in Bodo*

1. मोनसे सोदोब एबा बाथ्राजों फिन हो : 1×10=10

(क) खुगा थुनलाइया मा?

(ख) मिसनारि थुनलाइ माखौ बुङो?

(ग) गीदालि आव' (1931)खौ सोर लिरदोंमोन (सुजु-दोंमोन)?

(घ) खन्थाय-मेथाया माब्ला ओंखारदोंमोन?

(ङ) जेनथ'खा लाइसिखौ सोर सुजुदोंमोन?

(च) बर'नि जन कीट्सा सोर?

(छ) नीलेश्वर ब्रह्मआ मा बिमुं मोनदोंमोन?